যোজনা-পটন্তৰ ঃ (১) বটালি নকাটে যেন বিনা হাঠুৰীয়ে।
(২) তপত খোলাত দিলে যেন মৎস্য মৰে।

দেৱজিত নামে এখন কাব্যত মাধৱ কন্দলীৰ ভণিতা পোৱা যায়। কিন্তু পুথিৰ ভাষা কন্দলীৰ ৰামায়ণৰ ভাষাতকৈ অবচীন আৰু নিম্ন স্তৰৰ। পুথিখনত ঠায়ে ঠায়ে মাধৱ বুলিও ভণিতা আছে। সেইহে কোনো কোনো পণ্ডিতে পুথিখন মাধৱ নামৰ আন কোনো কবিৰ ৰচনা বুলি অনুমান কৰে। ই যি নহওক, অকল ৰামায়ণৰপৰাই কবিৰ অসামান্য কবি-প্ৰতিভাৰ পৰিচয় পোৱা যায়।

আলোচনা ঃ প্ৰাক্ শংকৰী যুগৰ কবিসকলৰ ৰচনাৰ কেইটিমান বৈশিষ্ট্য চকুত পৰে; (১) এওঁলোকৰ আগতে চৰ্যাপদৰ বাহিৰে কেৱল মৌখিক সাহিত্যহে আছিল। লিখিত সাহিত্যৰ আদৰ্শ এওঁলোকেহে পৰৱৰ্তী যুগৰ কবিসকললৈ থৈ যায়। আটাইবোৰ ৰচনা পদ্যত হৈছিল, গদ্যৰ ব্যৱহাৰ নাছিল।

(২) আগৰ জনকবিসকলে ঐহিক বিষয় বা ব্যক্তিগত জীৱনৰ বিভিন্ন অভিজ্ঞতাক কেন্দ্ৰ কৰি গীতসমূহ ৰচনা কৰিছিল। কিন্তু এই কবিকেইজনে সংস্কৃত গ্ৰন্থৰপৰা বিষয়বস্তু আহৰণ কৰি কাব্য, পদ-পুথি আদি ৰচনা কৰিলে। বিশেষকৈ মাধৱ কন্দলীৰ ৰামায়ণৰ অনুবাদে অসমীয়া ভাষাৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে পৰৱৰ্তী যুগৰ কবিসকলক বিশেষভাৱে অনুপ্ৰেৰণা যোগাইছিল। মাধৱ কন্দলীৰ ৰামায়ণৰ দ্বাৰা শংকৰদেৱ, অনন্ত কন্দলী প্ৰমুখ্যে পৰৱৰ্তী যুগৰ কবিসকল প্ৰভাৱান্বিত হৈছিল। বহু কবিয়ে মূল ৰামায়ণ এৰি কন্দলীৰ ৰামায়ণৰপৰাই গীত-পদৰ বিষয়বস্তু, আহৰণ কৰিছিল। শংকৰদেৱে উত্তৰাকাণ্ড ৰামায়ণত এই যুগৰ কবিসকলৰ আদৰ্শ স্বীকাৰ কৰি কৈছে—

পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলী আদি
বিৰচিলা পদে ৰাম-কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।

মনসা কবি দুৰ্গাবৰ কায়স্থৰ 'গীতি ৰামায়ণ' আৰু অনন্ত কন্দলীৰ ৰামায়ণতো মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ সুস্পষ্ট। দুৰ্গাবৰ আৰু অনন্ত কন্দলীৰ ৰামায়ণক ক্ৰমে মাধৱ কন্দলীৰ ৰামায়ণৰ 'গাঁৱলীয়া সংস্কৰণ' আৰু 'বৈষ্ণৱ সংস্কৰণ' বুলিব পাৰি। অনন্ত কন্দলীয়ে নিজেই কৈছে যে মাধৱ কন্দলীৰ ৰামায়ণত ৰামৰ ভজনীয় গুণ বেকত নোহোৱাতহে ৰামায়ণ ৰচিবলৈ "আমাৰ কৌতুক কৰে মন।"

(৩) কবিসকলে কাব্য ৰচোঁতে মূলৰ আনুগত্য স্বীকাৰ কৰিছিল যদিও মাজে মাজে কাল্পনিক ঘটনা, লৌকিক চিত্ৰ আৰু ঘৰুৱা পৰিবেশ সৃষ্টিত উপমা, ৰূপক, পটন্তৰ আদি ব্যৱহাৰ কৰিছিল।

(৪) এই যুগৰ সাহিত্যত পদ, দুলৰী, ছবি, ঝুমুৰী আদি ছন্দ প্ৰয়োগৰ আদৰ্শও পৰৱৰ্তী যুগৰ কবিসকলে এওঁলোকৰপৰাই পায়।

(৫) বৈষ্ণৱ কবিসকলৰ দৰে ধৰ্ম প্ৰচাৰেই মুখ্য উদ্দেশ্য নহৈ সাহিত্যৰ ৰস সৃষ্টি এওঁলোকৰ মুখ্য উদ্দেশ্য আছিল। কবিসকলৰ ৰচনাৰ প্ৰায় আত্মপৰিচয় আৰু প্ৰায়বোৰ অধ্যায়ৰ শেষত ভণিতা দিয়া আদৰ্শটোও প্ৰাক্ শংকৰী যুগৰ কবিসকলৰপৰা লোৱা বুলি ক'ব পাৰি। মুঠতে প্ৰাক্ শংকৰী যুগৰ কবিসকলে পৰৱৰ্তী কবিসকলক পদ-কাব্য আদি ৰচনাৰ উৎকৃষ্ট আদৰ্শ দেখুৱাই থৈ যায়।